# ৰঙাজান দেওঘৰ ঃ ঐতিহ্য, পৰম্পৰা আৰু পৰিৱৰ্তন

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতক ষষ্ঠ ষান্মাসিকৰ অসমীয়া
**DSE -3H** কাকতৰ বাবে প্ৰস্তুত কৰা গৱেষণা প্ৰকল্প


তত্ত্বাৱধায়ক

ডঃ দেৱপ্ৰতীম হাজৰিকা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা

শ্ৰীমতী জিন্টি শইকীয়া
স্নাতক ষষ্ঠ ষান্মাসিক
অসমীয়া বিভাগ
**Roll No- 30810091**
**Registration No- S1921617**


নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ, যোৰহাট
ইং- ২০২২ বৰ্ষ

Scanned by CamScanner

ড° দেৱপ্ৰতীম হাজৰিকা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট- ৭৮৫৬৩০

ভ্ৰাম্যভাষ: ৭০০২৮৬২৩৭১
ইমেইল : dprotim@gmail.com

প্ৰসংগ নং.......

তাৰিখ : ২২/০৭/2022

## প্ৰমাণ পত্ৰ

ইয়াৰ দ্বাৰা প্ৰমাণ পত্ৰ দিয়া হয় যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া (উচ্চমান) বিষয়ৰ **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰস্তুত কৰিবলগা প্ৰকল্পৰ বাবে শ্ৰীমতী জিন্টী শইকীয়াই মোৰ তত্ত্বাৱধানত **বড়াজানৰ দেওঘৰ : ঐতিহ্য পৰম্পৰা আৰু পৰিৱৰ্তন** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। প্ৰকল্পৰ বাবে কৰা ক্ষেত্ৰ অধ্যয়ন তেওঁৰ নিজা প্ৰচেষ্টাৰ ফল। ছাত্ৰীগৰাকীয়ে প্ৰকল্পৰ বাবে প্ৰয়োজনীয় সকলো নিয়ম আৰু গৱেষণা পদ্ধতি মানি চলিছে। প্ৰকল্পৰ কোনো অংশ তেওঁ পূৰ্বতে প্ৰকাশ কৰা নাই।

তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

দেৱপ্ৰতীম হাজৰিকা

(ড° দেৱপ্ৰতীম হাজৰিকা)

Department of Assamese
Date
.............

Scanned by CamScanner

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট, অসম, পিন- ৭৮৫৬৩০


প্ৰসঙ্গ নং.........

তাৰিখ ঃ ০৭০৭.২০২২

**প্ৰমাণ পত্ৰ**

শ্ৰীমতী জিন্টী শইকীয়া স্নাতক ষষ্ঠ যান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮১০০৯১)ৰ ছাত্ৰী। তেওঁ ড° দেৱপ্ৰতীম হাজৰিকাৰ তত্বাৱধানত **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ **"ৰঙাজান দেওঘৰ ঐতিহ্য পৰম্পৰা আৰু পৰিৱৰ্তন"** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ,
নন্দনাথ শইকীয়া মহাবিদ্যালয়,
তিতাবৰ।

Head
Department of Assamese
Nanda Nath Saikia College
Titabar

Scanned by CamScanner

# বঙাজান দেওঘৰ ঃ ঐতিহ্য, পৰম্পৰা আৰু পৰিবৰ্তন

## সূচীপত্ৰ

০.০০ প্ৰস্তাৱনা

০.০১ বিষয়ৰ পৰিচয়

০.০২ বিষয়ৰ উদ্দেশ্য

০.০৩ বিষয়ৰ পৰিসীমা

০.০৪ বিষয়ৰ অধ্যয়ন পদ্ধতি

০.০৫ পূৰ্বকৃত অধ্যয়ন

প্ৰথম অধ্যায়

১.০০ দেওঘৰৰ উৎপত্তি সম্পৰ্কে ব্যাখ্যা

১.০১ নামৰ নামৰ উৎস

১.০২ দেওঘৰৰ মূল্যবান সম্পদ

দ্বিতীয় অধ্যায়

২.০০ দেওঘৰৰ ঐতিহ্য আৰু অৱস্থান

২.০১ জনশ্ৰুতিত দেওঘৰ

২.০২ দেওঘৰৰ জনসংখ্যা

২.০৩ দেওঘৰৰ চাৰিসীমা আৰু পৰিসীমা

২.০৪ দেওঘৰৰ লোকসকলৰ জীৱন নিৰ্বাহ পদ্ধতি

২.০৫ দেওঘৰৰ লোকসকলৰ শিক্ষা ব্যৱস্থা

তৃতীয় অধ্যায়

৩.০০ দেওঘৰত পালন কৰা পৰম্পৰা

৩.০১ দেৱ-দেৱী আধাৰিত পূজা

৩.০২ কৃষি ভিত্তিক উৎসৱ

চতুৰ্থ অধ্যায়

৪.০০ দেওঘৰৰ পৰম্পৰাৰ পৰিবৰ্তন

পঞ্চম অধ্যায়

৫.০০ উপসংহাৰ

৫.০১ সিদ্ধান্ত

প্ৰসংগ টোকা

গ্ৰন্থপঞ্জী

তথ্য দাতাসকলৰ সংক্ষিপ্ত তথ্য

আলোকচিত্ৰ

Scanned by CamScanner

## কৃতজ্ঞতা

"ৰঙাজান দেওঘৰ ঃ ঐতিহ্য, পৰম্পৰা আৰু পৰিবৰ্তন" শীৰ্ষক আলোচনা পত্ৰখন প্ৰস্তুত কৰিবলৈ যাওঁতে বিভিন্নজনে সহায় সহযোগিতা, সু-পৰামৰ্শ আগবঢ়াই এই আলোচনা পত্ৰখন সম্ভৱ কৰি তুলিছে। এই সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

মোৰ এই গৱেষণা গ্ৰন্থখনি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত তত্ত্বাৱধায়কৰ দায়িত্বলৈ গৱেষণা বিষয়ৰ প্ৰয়োজনীয় সকলো দিশত পৰামৰ্শ দি মোক সহায় কৰাৰ বাবে অসমীয়া বিভাগৰ অধ্যাপক ড° দেৱপ্ৰতীম হাজৰীকা ছাৰৰ নাম সৰ্ব প্ৰথমে ল'ব লাগিব। তেখেতলৈ পোন প্ৰথমেই কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিভিন্ন দিশত সহায় আগবঢ়োৱা অসমীয়া বিভাগৰ মুৰব্বী ড° স্নিগ্ধা ৰাণী ৰাভা বাইদেউ, বিভাগীয় অধ্যাপিকা ড° বৰ্ণালী শইকীয়া আৰু গৌতম বৰা ছাৰলৈ এই চেগতে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ক্ষেত্ৰ অধ্যয়নত যিসকল সমল ব্যক্তিৰ তথ্যৰ আধাৰত এই আলোচনা পত্ৰখন আগবঢ়োৱা হৈছে তেখেত সকলৰ ভিতৰত শ্ৰী ললিত গগৈ, লীলাৰাম গগৈ, প্ৰদীপ গগৈ সকলোলৈকে শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সাক্ষাৎকাৰ, তথ্য সংগ্ৰহৰ সময়ত সহায় কৰা মৰমৰ বন্ধু-বান্ধৱী যতিন শইকীয়া, মৌচুমি দাস আৰু লিপিকা বৰুৱাৰ ওচৰত সদায় কৃতজ্ঞ।

গৱেষণা কাৰ্যত আৰম্ভণিৰে পৰা সহায় সহযোগিতা আগবঢ়োৱা মোৰ মা-দেউতা আৰু ভাইটিয়ে বিভিন্ন সময়ত দিহা পৰামৰ্শৰে উৎসাহিত কৰাৰ লগতে মানসিকভাৱে প্ৰতিটো মূহুৰ্তত লগ দিয়াত তেওঁলোকক এই সুযোগতেই মই কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ উপৰি আলোচনা পত্ৰখন ডি.টি.পি. কৰি প্ৰস্তুত কৰাত সহায় কৰা 'যতিন শইকীয়া' দাদালৈ ধন্যবাদ জ্ঞাপন কৰিলো।

জিণ্টি শইকীয়া

জিণ্টি শইকীয়া
স্নাতক, ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়

Scanned by CamScanner

**০.০০ প্ৰস্তাৱনা ঃ**

প্ৰকল্প পত্ৰৰ বাবে নিৰ্বাচিত কৰি লোৱা বিষয়টো হ'ল- ৰঙাজান দেওঘৰ ঃ ঐতিহ্য, পৰম্পৰা আৰু পৰিবৰ্তন। অসমৰ বিভিন্ন প্ৰান্তত পূজা কৰা মঠ মন্দিৰ নামঘৰ আদিৰ ভিতৰত উল্লেখযোগ্য থান ভাগ হ'ল দেওথান বা দেওঘৰ। ক্ষেত্ৰ অধ্যয়নৰ বাবে নিৰ্বাচিত কৰি লোৱা ঠাইখন হৈছে অসমৰ যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ অন্তৰ্গত ৰঙাজানৰ দেওঘৰ। ৰঙাজানৰ দেওঘৰৰ লোকসকলে পালন কৰা উৎসৱ-পাৰ্বণ, তেওলোকৰ সমাজত প্ৰচলিত ৰীতি-নীতি, পৰম্পৰা বলিবিধান, দেওঘৰ ইতিবৃত্ত আদি বিষয়সমূহৰ বিষয়ে বিচাৰ কৰি চোৱা এক ক্ষুদ্ৰ প্ৰয়াস হৈছে প্ৰকল্প পত্ৰখনৰ জৰিয়তে।

**০.০১ বিষয়ৰ পৰিচয় ঃ**

যোৰহাটৰ নৈনে ৰঙাজান গাঁৱৰ গড়আলিৰ কাষত অৱস্থিত 'দেওঘৰ' অসমৰ চাউদাংসকলৰ ধৰ্মীয় পৰম্পৰা, কৃষ্টি-সংস্কৃতি আৰু সামাজিক ৰীতি-নীতিৰ ইতিহাস জড়িত হৈ থকা এক পৱিত্ৰ মিলনক্ষেত্ৰ। আহোম ৰজা গৌৰীনাথ সিংহৰ দিনতেই প্ৰতিষ্ঠা হোৱা এই ধৰ্মীয় অনুষ্ঠানটি যোৰহাট জিলাৰ অন্তৰ্গত তিতাবৰ মহকুমাৰ ঠেঙাল মৌজাৰ মৰাণ গাঁৱত দেওঘৰ অৱস্থিত।

ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলৰ কেন্দ্ৰ স্বৰূপ অসম এখন বৈচিত্ৰ্যৰে ভৰপুৰ ৰাজ্য। অপাৰ ঐচ্ছৰিক মহিমাৰে মহিমামণ্ডিত বহু ইতিহাসে গৰকা তিতাবৰ মহকুমাৰ ৰঙাজানত অৱস্থিত দেওঘৰ। আহোম সকলৰ যাউতি যুগীয়া অৱদান সমূহৰ ভিতৰত বিভিন্ন স্থানত স্বৰ্গদেউ সকলে প্ৰতিষ্ঠা কৰা মঠ মন্দিৰ, থান, নামঘৰ আদি উল্লেখযোগ্য। অসমৰ বহু গুৰুত্বপূৰ্ণ অধ্যাত্মিক স্থান আহোমসকলৰ অনবদ্য অৱদান বুলি কলেও বঢ়াই কোৱা ন'হব। বহু মহমামণ্ডিত দুশ-একত্ৰিশ বছৰ পুৰণি ইতিহাস বিজৰিত সদা যাগ্ৰতৰ ৰঙাজান দেওঘৰ যোৰহাট জিলাৰ তিতাবৰ মহকুমাৰ ৰঙাজান অঞ্চলৰ ঠেঙাল মৌজাৰ অন্তৰ্গত নগাপাহাৰৰ নাতিদূৰত অৱস্থিত এক মধুৰ ঐতিহ্য আছে । ১৭৮৯ চনত স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনত প্ৰতিষ্ঠিত এই দেওঘৰে এতিয়া সমগ্ৰ অসমৰ জনগনক ইয়াৰ আধ্যাত্মিক আৰু মাহাত্ম্যই দেওঘৰৰ ফালে আকৰ্ষণ কৰিছে। কাৰণ ইয়াত একচিত্তা আগবঢ়াই যিয়ে মনস্থ কৰে সেয়াই এশ শতাংশ নিচ্ছিত ৰূপে পূৰ হয় বুলি সকলোৱে বিশ্বাস কৰে।

**০.০২ বিষয়ৰ উদ্দেশ্য ঃ**

কোনো এটা মানৱ জাতিৰ মাজত বছৰ বছৰ ধৰি পৰম্পৰাগত ভাৱে চলি অহা কিছুমান নীতি-নিয়ম, ৰুচি-অভিৰুচি, বিশ্বাস-অন্ধবিশ্বাস, ধৰ্ম আদিৰ মাজেদি সংস্কৃতি গঢ় লৈ উঠিছে। সংস্কৃতি মানৱ সৃষ্ট। অসমত স্থাপন হোৱা সকলোবোৰ মঠ-মন্দিৰ, নামঘৰ, দেৱালয়, থান আদি প্ৰতিটোতে নিজৰ নিজৰ সামাজিক নীতি-নিয়ম আছে· । আৰু সেই নীতি-নিয়মৰ মাজেৰে বিভিন্ন অনুষ্ঠান পালন কৰা হয়। থিক সেইদৰেই দেওঘৰ বা দেওথানৰ মূল উদ্দেশ্য হ'ল ঈশ্বৰক পূজা কৰা লগতে ৰঙাজান অঞ্চলৰ ৰাইজৰ মংগল সাধন কৰা । দেওঘৰৰ পৰম্পৰাগত ৰীতি-নীতি, উৎসৱ-পাৰ্বণ পৰম্পৰা, পৰিবৰ্তন এই সম্পৰ্কে দাঙি ধৰাই হৈছে এই পত্ৰখনৰ মূল উদ্দেশ্য·।

**০.০৩ বিষয়ৰ পৰিসীমা ঃ**

এই গৱেষণা পত্ৰখনৰ জৰিয়তে ৰঙাজান দেওঘৰৰ ঐতিহ্য, পৰম্পৰা, ৰীতি-নীতিসমূহৰ পৰিবৰ্তনৰ পাছত কেনেদৰে পালন কৰা হয় তাৰ চমু আভাস দিয়া। দেওঘৰৰ ইতিহাসকে আদি কৰি তাত পালন কৰা পৰম্পৰা, কি কি নীতি-নিয়মৰ মাজত বলিবিধান প্ৰথা প্ৰচলিত আছিল বৰ্তমান কিদৰে নাম প্ৰসংগ কাৰ্য্য সম্পাদন কৰে তাৰ আলমতেই এই নীতি-নিয়ম পৰম্পৰাসমূহ সামৰি এই পত্ৰখনি প্ৰস্তুত কৰা হৈছে।

Scanned by CamScanner

**০.০৪ বিষয়ৰ অধ্যয়ন পদ্ধতি ঃ**

গৱেষণা পত্ৰখন প্ৰস্তুত কৰোতে প্ৰধানকৈ বিশ্লেষণাত্মক আৰু ঐতিহাসিক পদ্ধতিৰ অৱলম্বন কৰা হৈছে। পত্ৰখন প্ৰস্তুত কৰোতে প্ৰধানকৈ ৰঙাজানৰ ননৈ গাওঁ আৰু ননৈ চাউদাং গাঁৱৰ কেইগৰাকীমান পুৰুষ আৰু মহিলাৰ সাক্ষাৎকাৰ ভিত্তিত প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰা হৈছে। আৰু দেওঘৰ উৎপত্তি সম্পৰ্কীয় এখনি চাও লীলাৰাম গগৈৰ সম্পাদনাৰ মহিমামণ্ডিত দেওঘৰৰ ইতিবৃত্ত নামৰ গ্ৰন্থৰ  সহায়ত লোৱা হৈছে।

গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ তথ্য সংগ্ৰহৰ পদ্ধতিৰ সহায় লোৱা হৈছে। সাক্ষাৎকাৰৰ যোগেদি তথ্যদাতা গৰাকীক কিছুমান প্ৰশ্ন অৱতাৰণা কৰা হৈছিল। প্ৰশ্নসমূহ হৈছে —

১) দেওঘৰ কেতিয়া উৎপত্তি হৈছিল ?

২) দেওঘৰৰ মুঠ পৰিসীমা কিমান ? অঞ্চলটোত জনসংখ্যা কিমান ?

৩) দেওঘৰত কি কি উৎসৱ পালন কৰা হয় ?

৪) ৰাইজৰ অংশগ্ৰহণ কেনেকোৱা ?

৫) দেওঘৰত পুৰণি কিবা ঐতিহ্যময় সম্পদ আছে নেকি ?

৬) বৰ্তমান দেওঘৰত কি কি পৰম্পৰা চলি আছে আৰু আগতকৈ কিবা সলনি হৈছে নেকি ?

৭) ভাদ মাহত কি কি উৎসৱ পালন কৰা হয়।

উল্লেখিত প্ৰশ্নসমূহৰ দ্বাৰা লাভ কৰা উত্তৰসমূহ আৰু বিভিন্ন গ্ৰন্থপঞ্জীৰ সহায়ৰ আধাৰতে সাধাৰণতে এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰা হৈছে।

**০.০৫ পূৰ্বকৃত অধ্যয়ন ঃ**

ৰঙাজানৰ দেওঘৰৰ ঐতিহ্য, পৰম্পৰা আৰু পৰিবৰ্তন সম্পৰ্কে দুই এখন গ্ৰন্থত দেখিবলৈ পোৱা যায়।

চাও লীলাৰাম গগৈৰ সম্পাদনাত মহিমামণ্ডিত দেউঘৰৰ ইতিবৃতি আৰু মহিমামণ্ডিত দেওঘৰ গ্ৰন্থত ঐতিহ্য আৰু পৰম্পৰা আৰু পৰিবৰ্তন সম্পৰ্কে আলোচনা আছে।

Scanned by CamScanner

## প্ৰথম অধ্যায়

### ১.০০ দেওঘৰৰ উৎপত্তি সম্পৰ্কে ব্যাখ্যা ঃ

যোৰহাট জিলাৰ অন্তৰ্গত তিতাবৰ মহকুমাৰ ঠেঙাল মৌজাৰ অন্তৰ্গত মৰাণ গাঁৱত দেওঘৰ অৱস্থিত। ইয়াৰ কাষতে আছে বিখ্যাত গড়আলি। আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহৰ ৰাজত্ব কালত ১৭৮৯ খ্ৰীঃ ত আহোমৰ ৬০০ বছৰীয়া ৰাজত্বৰ শেষ ৰাজধানী শিৱসাগৰ ৰংপুৰৰ পৰা যোৰহাটলৈ ৰাজধানী তুলি আনিছিল। ঠিক সেই সময়তেই যোৰহাট নগৰৰ পৰা প্ৰায় ১২ কিঃ মিঃ নিলগত ৰঙাজানত এই দেওঘৰ বা দেওথান ভাগ স্থাপিত হৈছিল। পূৰ্বতে থান ভাগি গড় আলিৰ পূবত তিতাবৰ মৌজাৰ অন্তৰ্গত আছিল বুলি জনা গৈছিল। পৰৱৰ্তী সময়ত থান ভাগি গড়আলিৰ কাষত ঠেঙাল মৌজাৰ অন্তৰ্গত পশ্চিম দিশত স্থাপন কৰা হৈছিল।

আহোমসকলৰ যাউতি যুগিয়া অৱদানসমূহৰ ভিতৰত অসমৰ বিভিন্ন স্থানত স্বৰ্গদেউ সকলে প্ৰতিষ্ঠা কৰা মঠ-মন্দিৰ, থান, দৌল, দেৱালয় আদি উল্লেখযোগ্য। অসমৰ বহু গুৰুত্বপূৰ্ণ আধ্যাত্মিক স্থান অহোমসকলৰে অনবদ্য অৱদান বুলি কলেও বঢ়াই কোৱা নহয়।

দুশ একত্ৰিশ বছৰ পুৰণি ইতিহাস বিজৰিত সদা যাগ্ৰিতৰ ৰঙাজান দেওঘৰৰ ৰজা গৌৰীনাথ সিংহই প্ৰতিষ্ঠা কৰিছিল। দেওঘৰ ভাগৰ ইতিহাসক লৈ বহুতে বহু কাহিনি কৈ গৈছে।

ৰঙাজানৰ এই দেওথান বা দেওঘৰ ভাগি আহোম স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ দিনতে ১৭৮৯ চনত প্ৰতিষ্ঠা হয় বুলি কোনো কোনোৱে কয়। এই দেওঘৰ ভাগি কোনে কেতিয়া স্থাপন কৰিছিল তাক জনা নাজায়। ১৭৮৯ চনৰ পৰাই এই থান ভাগত বলি বিধান প্ৰথাৰ ব্যৱস্থা আছিল। ইয়াত আহোম স্বৰ্গদেউসকলৰ ৰীতি-নীতি মতে বলিবিধান ব্যৱস্থা আছিল। ইয়াত ৩৩ কোটি আহোম আহোম দেৱতাক পূজা পাতল দিয়া হৈছিল বলি বিধানেৰে। তাৰ পাছত স্বৰ্গদেউৰ শাসন কাল অন্ত পৰাৰ পাছত ব্ৰিটিছ সকল আহিল। ব্ৰিটিছসকল অহাৰ পাছত ব্যৱহায় কৰিবলৈ ধৰিলে। ব্ৰিটিছৰ শাসন কালত বৰ্তমান গড়আলিতেই জে.পি.আৰ. ৰেইল লাইন আছিল। এই ৰেইল লাইন তিতাবৰৰ পৰা ককিলা মুখ ঘাটলৈ বিস্তাৰিত হৈ আছিল। এখন সৰু ৰে'ল এই লাইনৰ ওপৰেদি চলিছিল আৰু ৰঙাজানত এটি ৰে'ল ষ্টেচন আছিল। বিশেষকৈ ব্ৰিটিছসকলে এই ৰে'লেৰে ককিলামুখ ঘাটলৈ চাহপাত সৰবৰাহৰ নিমিত্তেই ব্যৱহাৰ কৰিছিল। যিহেতু ৰঙাজান অঞ্চলত ধলি, ৰঙাজান, খৰিকটিয়া, বোকাহোলা আদি অনেক চাহ বাগিচাৰে পৰিবেষ্টিত। সেই চাহবাগিছাসমূহৰ পৰাই কেচা চাহপাত নিবৰ কাৰণে দেওঘৰ কাষেদি ৰে'ল লাইন বঢ়াইছিল। সেই ৰে'ল লাইনৰ ওপৰেদি এখন সৰু ৰে'ল চলাচল কৰিছিল৷ সেই সৰু ৰে'ল খনেৰেই ব্ৰিটিছ সকলে কেচা চাহপাত সমূহ নিমাতি ঘাটলৈ নিছিল। কেচা চাহপাত নিয়া ৰে'ল খনৰ নাম আছিল Assam frontier railway।[১]

সেই সৰু ৰে'ল লাইনটোৱেদি কেচাপাত নিওতে যেতিয়া সেই ৰে'ল গাড়ী বিলাক দেওঘৰৰ কাষেদি চলাচল কৰে তেতিয়া এই দেওঘৰৰ কাষত আপুনা আপুনি ৰে'ল খন বৈ যায় আৰু কেতিয়াবা ৰে'লখন বাগৰি গৈছিল। এনেকোৱা অৱস্থাত ব্ৰিটিছসকলে চিন্তিত হৈ পৰিছিল আৰু তেতিয়া ওচৰত থকা মানুহবিলাকক সুধিলে যে ইয়াত কি মহিমা আছে? তেতিয়া ৰঙাজানৰ অঞ্চলৰ লোকসকলে ক'লে যে দেওঘৰৰ মহিমা অপাৰ। তেতিয়া ব্ৰিটিছ বিলাকে চিপাহি আনি গছ বিলাকত blank fire কৰালে। সেই blank fire ত দেওঘৰত বিৰাজিত বহুতো দেৱ-দেৱী গুছি গ'ল। ব্ৰিটিছৰ গুলি চালনাত কোনো ফল নধৰিল বৰঞ্চ সমস্যা বৃদ্ধিহে হ'ল৷ শেষত উপায়ন্তৰ হৈ তেওঁলোকে গাঁৱৰ বুঢ়ামেথাৰ পৰা গম পালে যে পূজা আগবঢ়াব লাগিব। দেওঘৰৰ পূজাৰীৰ দিহামতে দেওঘৰলৈ পূজা আগবঢ়ালে, তেতিয়াহে ৰক্ষা পালে। তাৰ পাছতে সেই ৰে'ল

Scanned by CamScanner

সেই ৰে'ল সমূহ আপুনা আপুনি চলিব ধৰিলে। তাৰ পাছত ১৯৪৩ চনত জে.পি.আৰ উঠি যোৰাত গড় আলিলৈ ৰূপান্তৰিত হ'ল। এই দেওঘৰৰ মহত্ব অসীম। মহত্ব দেখি সেইসময়ত ইংৰাজ সকলেও তবধ মানিছিল।

পঞ্চাশ-পচপন্ন দশকত দেওথান ভাগ আছিল বৰ ডয়াল। অটব্য হাবি জংঘলেৰে পৰিপূৰ্ণ ঠাইডোখৰৰ মাজভাগতে কাঠৰ খুটাৰে নিৰ্মিত এটি জাৰজীৰ্ণ দেৱতাসকলৰ পূজিত থান আছিল। দিন-দুপৰতে সেই স্থানত মানুহে প্ৰৱেশ কৰিবলৈ সাহস গোটাব পৰা নাছিল। বৃহৎ-বৃহৎ বৃক্ষ যেনে — বৰগছ, বৰ্হমমথুৰি, এজাৰ, আম, হাতীওঁৰীয়া লতা,ঘিলাজাতীয় লতা, বহুঁত গছৰ উপৰিও বিভিন্ন বনৌষধিৰ গছ আছিল। তাৰোপৰি বিবিধ চৰাই, সাপ, বেঙ আদিৰ বাসস্থান।

আহোমসকলে অসমত ছয়শ বছৰ ৰাজত্ব কৰিছিল। আহোমৰ প্ৰথম ৰাজধানী চৰাইদেউ আৰু যোৰহাট শেষ ৰাজধানী আছিল। আহোম সকল দেবৰাজ ইন্দ্ৰৰ বংশধৰ। তেওঁলোকে বিভিন্ন দেৱ-দেৱীক পূজা-পাতল কৰিছিল। আগম পন্থা অৱলম্বন কৰি যুদ্ধত জয় আৰু শক্তি বঢ়াবৰ কাৰণে 'ব্যাসদেৱ' ৰচিত পুৰাণ, উপ-পুৰাণ শাস্ত্ৰৰ সন্নত বিধান বিলাক পালন কৰিছিল।

১৭৮৯ খ্ৰীষ্টাব্দত গৌৰীনাথ সিংহই ৰংপুৰৰ পৰা ৰাজধানী দিচৈ নগৰ (বৰ্তমান যোৰহাট) লৈ স্থানান্তৰ কৰে। দিচৈ নগৰলৈ ৰাজধানী স্থানান্তৰ কৰাৰ প্ৰধান কাৰণ মোৱামৰীয়া বিদ্ৰোহ বুলি বুৰঞ্জীবিদসকলে মত পোষণ কৰে। স্বৰ্গদেউ গৌৰীনাথ সিংহই ভাবিছিল যে দিচৈ নগৰলৈ ৰাজধানী স্থানন্তৰ কৰিলে মোৱামৰীয়া বিদ্ৰোহৰ পৰা ৰাজধানী সুৰক্ষিত হ'ব। ৰাজধানী স্থানান্তৰৰ লগে লগে ৰাজধানীৰ সকলো বিষয়ববীয়া স্থানান্তৰ হ'ল। সেই সময়তে ৰাজধানী ৰক্ষাৰ কাৰণে মহামতি ৰাজনৈতিক পুৰুষ পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ দিহামতে স্বৰ্গদেউ গৌৰীনাথ সিংহই ১৭৮৯ খ্ৰীষ্টাব্দত কিছুমান বচা-বচা আহোম সেনাৰ সৈতে 'আহোম ফৌজ' নাম দি নতুনকৈ এটা শক্তিশালী ফৌজ গঠন কৰায়। এইয়াই আছিল অসমত বৃটিছৰ আৰ্হিৰে গঠিত হোৱা প্ৰথম ফৌজ। এই ফৌজৰ প্ৰধান কাম আছিল ৰাজধানী আৰু দেশ ৰক্ষা কৰা। এই প্ৰশাসনিক জাগ্ৰত প্ৰহৰী 'আহোম' ৰাজধানী আৰু দেশ ৰক্ষা কৰা। এই প্ৰশাসনিক জাগ্ৰত প্ৰহৰী 'আহোম ফৌজ' বা টাই ভাষাত চাউদাং(Sir Edward Gait চাহাবৰ A History of Assam ত উল্লেখ আছে The Army) সকলো দিচৈ নগৰ ৰাজধানীৰ চাৰিওফালে থিতাপি ল'লেহি। বিশেষকৈ ৰাজধানীৰ দক্ষিণ-পশ্চিম দিশটোৰ ফালে শত্ৰু আক্ৰমণৰ সম্ভাৱনা বেছি আছিল। গতিকে চাউদাং সকলক এই দিশত ৰখা হৈছিল। এতিয়া সেই ৰজা শাসন নাই যদিও সেই ৰাজধানী ৰক্ষাৰ দায়িত্বত থকা জাগ্ৰত প্ৰশাসনিক কৰ্মী চাউদাং সকলৰ উত্তৰ পুৰুষসকল সেই স্থানতে বসবাস কৰি ইতিহাসৰ চিহ্ন বহন কৰি আছে।[২]

১৩৯৭-১৪০৭ খ্ৰীষ্টাব্দত স্বৰ্গদেউ চক্ৰধ্বজ সিংহ বা চুদাংফা বা বামুণী কোঁৱৰে প্ৰথমে হিন্দু পণ্ডিতক পৃষ্ঠপোষকতা কৰাৰ পিছত হিন্দু ধৰ্মই ৰাজ ধৰ্ম হিচাপে স্বীকৃতি লাভ কৰে। স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ দিনত আহোমৰ সৰহ সংখ্যক ফৈদে পূৰ্বৰ ধৰ্ম ত্যাগ কৰি হিন্দু বা বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল যদিও কেইটামান ফৈদ যেনে — চাউদাং, মোহন, দেওধাই, বাইলুং, চিৰিং আদি ফৈদসকলে পূৰ্বৰ পৰা চলি অহা ধৰ্মকে সাবটি থাকিছিল। টাই আহোমৰ শ্ৰেষ্ঠ দেৱতা লেনডনৰ উপৰিও চোংদেও, চাংদেও,ব বলীয়াদেও, সৰগদেও আদি দেৱতাক সন্তুষ্ট কৰিবলৈ দেওঘৰ সাজি পূজা-পাতল কৰা নিয়ম আছিল। সেই পূজাত সাজ-পানী, কুকুৰা, গাহৰি, ম'হ, কৰাইগুৰি, পিঠাগুৰি, দীঘল পচলা, মেচাকি, মেজেঙা, তজমুৰি, চেংমৰা, টংলটি আদি বহুতো বস্তু প্ৰয়োজন হৈছিল। সময়ৰ পৰিবৰ্তনৰ লগে লগে ৰীতি-নীতিও পৰিবৰ্তন হৈছে যদিও শিৱসাগৰ, ডিব্ৰুগড় জিলাৰ কোনো কোনো ঠাইত এতিয়াও তেওঁলোকে পূৰ্বৰ ৰীতি-নীতি, ধৰ্ম আদি অপৰিবৰ্তিতভাৱে পালন

Scanned by CamScanner

কৰি আহিছে। দিচৈ নগৰীয়া চাউদাং সকলে ইষ্ট দেৱতাসকলক সন্তুষ্ট কৰিবলৈ ননৈ গাঁৱত অষ্টকোণীয়া দেওঘৰত কাছৰ বেদী প্ৰতিষ্ঠা কৰি পূজা-পাতল কৰিছিল। তথ্যমতে ১৭৮৯ খ্ৰীষ্টাব্দত স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনত এই দেওঘৰ প্ৰতিষ্ঠা কৰা হৈছিল। প্ৰতিষ্ঠা কৰাৰ দিনৰে পৰা ননৈ দেওঘৰত দিচৈ নগৰীয়া চউদাং লোকসকলে স্বৰ্গদেউ চাওলুং চুকাফাৰ দিনৰ পৰা চলি অহা ৰীতি-নীতিয়ে দেওঘৰত বিভিন্ন দেৱতা যেনে- লেনডন, চোংদেও, বলিয়াদেউ, সৰগদেও আদি দেৱতাক পূজা কৰিছিল। নৱ বৈষ্ণৱ ধৰ্মৰ জাগৰণ অসমৰ চুকে-কোণে হোৱাৰ ফলত, এতিয়া কিছু সংখ্যক চাউদাং লোকে নাম ধৰ্মৰ পন্থা গ্ৰহণ কৰিছে। পূৰ্বৰ পৰা চলি অহা ৰীতি-নীতি কিছু পৰিবৰ্তন হ'ল। বিংশ শতিকাৰ শেষৰ বৰ্ষৰ পৰা এই দেওঘৰত পূৰ্বৰ ৰীতি-নীতিয়ে পূজা-পাতল কৰাৰ উপৰিও নামধৰ্মৰ পন্থাৰে নিয়ম-নীতি কৰিবলৈ লয়। নামধৰ্মৰ পন্থা প্ৰচলিত হোৱাৰ বাবে অন্য ফৈদ বা জাতিৰ লোক ইয়ালৈ অহাৰ সোঁত ব'বলৈ ধৰিলে। এতিয়া ননৈ গাঁৱৰ দেওঘৰ টাই আহোমৰ লেনডন দেৱতাৰ উপাসক চাউদাং সকলৰ উপাসনাৰ ঠাই হৈ থকা নাই। ই বিভিন্ন জাতি, ধৰ্ম, বৰ্ণৰ মিলনভূমি।

দেওঘৰ বুলিলে বাস্তৱিকতে পূজা-পাতল, বলি-বিধান আদি ধৰ্মানুষ্ঠানৰ কথা বুজা যায়। টাই আহোম ভাষাত দেওঘৰক 'ছেংৰেণ' বোলে।

**বৰ্তমান দেওঘৰ ঃ**

এতিয়া ৰঙাজানৰ এই দেওঘৰ একৰকম দেও নামঘৰলৈ বুলি ৰূপান্তৰিত হোৱা দেখা গৈছে। বৰ্তমান ভকত বৈষ্ণৱ সকলে দেওনামঘৰ বুলিবলৈ লৈছে। কিন্তু এটা কথা নিতান্তই ক'ব লাগিব যে দেওঘৰ আৰু নামঘৰৰ মাজত পাৰ্থক্য আছে। নামঘৰ শ্ৰীমন্ত শংকৰদেৱ মহাপুৰুষৰ আচুতীয়া সৃষ্টি। শংকৰদেৱৰ আৱিৰ্ভাৱ কালত অসমত বোধকৰো নামঘৰ নাছিল। আছিল মঠ-মন্দিৰ, দৌল, দেৱালয় আদিহে। শংকৰদেৱ মাধবদেৱৰ অসমীয়া একশৰণীয়া বৈষ্ণৱ ধৰ্মৰ বিবিধ অনুষ্ঠানবোৰ পাতা হয়। অসমৰ বাবে শংকৰদেৱে সুকীয়াকৈ নামঘৰ প্ৰাতিষ্ঠা কৰি গৈছে ।

বৰ্তমান দেওঘৰত অসমৰ ইমূৰৰ পৰা সিমূৰৰ লৈকে ভক্তৰ সমাগম হোৱাৰ পৰিলক্ষিত হয়। বিশেষকৈ ভাদ মাহত ৰবিবাৰ আৰু বৃহস্পতিবাৰে দেওঘৰ খোলা থাকে। তাৰ উপৰিও বছৰৰ প্ৰতি সপ্তাহৰ বৃহস্পতিবাৰে দেওঘৰ খোলা থাকে। বৰ্তমান দেওঘৰত ভাগৱত পাঠ কৰা হয় আৰু ভক্ত বৈষ্ণৱ সকলে শৰাই , চাকি বন্তি আগবঢ়াব পাৰে। বেমাৰ আজাৰ বিষ আদি নিৰাময়ৰ বাবেও বহুতো ভক্তই প্ৰজলিত হৈ থকা মূল বন্তি গছিৰ পৰা মিঠাতেল লৈ যায়। ১৭৮৯ চনৰ পৰা স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনত প্ৰতিষ্ঠিত হোৱা এই দেওঘৰে এতিয়া সমগ্ৰ অসমৰ জনগনক ইয়াৰ আধ্যাত্মিক আৰু মাহাত্ম্যৰ ফালে আকৰ্ষণ কৰিছে। কাৰণ ইয়াত একচিত্তা যিয়ে মনস্থ কৰে সেয়া এশ শতাংশ নিচ্চিৎ ৰূপে হয় বুলি সকলোৱে বিশ্বাস কৰে।

**১.০১ ননৈ গাঁৱৰ উৎস ঃ**

গড় আলিৰ পূব দিশত আৰু গড়আলিৰ পৰা পশ্চিম দিশত থকা অঞ্চলটিৰ মাজেদি নতুনকৈ সৃষ্টি হোৱা সৰু জান এটি দেওঘৰৰ কাযেদি বৈ গৈছে । নতুনকৈ জান বা নৈ সৃষ্টি হৈ বৈ যোৱাৰ কাৰণে গাওঁখনৰ নাম ননৈ হ'ল বুলি জনা যায়। এই ননৈ গাঁৱৰ পৰাই গড়আলিৰ পৰা পূব অংশ উজনি ননৈ আৰু পাশ্চিম অংশ নামনি ননৈ গাওঁ হৈছে বুলি জনা যায়। এই ননৈ নামৰ জান বা নদীখনি দেওঘৰৰ কাযেদি পাশ্চিম দিশত বৈ গৈছে।

**১.০২ দেওঘৰৰ মূল্যবান সম্পদ ঃ**

দেওথান ভাগৰ চৌহদত বহুকেইবিধ মুল্যবান গছ গছনি আছে । সেইবোৰৰ ভিতৰত ঘিলা জাতীয় এবিধ ল'তা গছ, এজোপা বৰ গছ, এজোপা বট গছ, বৰ্হমথুৰি এজোপা, এজাৰ, আম হাতিওঁৰীয়া ল'তা ,

Scanned by CamScanner

বহুত গছপৰ উপৰিও বহু কেইবিধ ঔষধি গছ আছে। এই গছবোৰ আজ্ঞা নোহোৱাকৈ কোনেও কাটিব নোৱাৰে। আজ্ঞা নোহোৱাকৈ ঔষধৰ কাৰণে কাটিলে ৰাইজৰ সমস্যাৰ সন্মুখীন হোৱাৰ উদাহৰণ পোৱা গৈছে।

ইয়াৰ বাহিৰেও পূব দিশত ভগৱান বিষ্ণুৰ দশ অৱতাৰৰ কুৰ্ম অৱতাৰ ভাগি মূত্তিৰে নিৰ্মাণ অৱস্থান আছে। অতিতৰ পৰা এই ভাগ ইয়াত বিৰাজমান। পূৰ্বতে এই কুৰ্ম ভাগ জীৱিত ৰূপ ত আছে বুলি জনা যায়।

দেওঘৰ ৰজা মহাৰজাৰ দিনৰ কোনো মূৰ্ত্তি বা অন্যান্য দেওঘৰত পোৱা নাযায়।

Scanned by CamScanner

## দ্বিতীয় অধ্যায়

**২.০০ দেওঘৰৰ ঐতিহ্য আৰু অৱস্থান ঃ**

যোৰহাট জিলাৰ অন্তৰ্গত নগাপাহাৰৰ নাতিদূৰত অৱস্থিত ৰঙাজান অঞ্চলটিৰ এক মধুৰ ঐতিহ্য আছে। এই অঞ্চলতেই ইতিহাসে পৰশা কোনো এটি পৱিত্ৰ দিনতে প্ৰতিষ্ঠা লাভ কৰা ঐতিহাসিক দেওঘৰ ভাগিয়ে এই মধুৰ ঐতিহ্যত সোণত সুৱগা চ'ৰাইছে।

আহোমৰ ৬০০ বছৰীয়া ৰাজত্বৰ শেষ ৰাজধানী শিৱসাগৰৰ ৰংপুৰৰ পৰা যোৰহাটলৈ স্বৰ্গদেউ গৌৰীনাথ সিংহৰ ৰাজত্বকালত তুলি আনিছিল। সেই সময়তেই জনসাধাৰণৰ অপায় অমংগল দূৰ কৰিবৰ বাবে আহোম স্বৰ্গদেউসকলৰ নিয়ম অনুসৰি বলি বিধানেৰে পূজা-অৰ্চনা কৰিছিল। যোৰহাটৰ পৰা ১২ কিলোমিটাৰ নিলগত গড়আলিৰ কাষৰ ৰঙাজান অঞ্চলত এইভাগ ছেংৰেণ 'দেওঘৰ' প্ৰতিষ্ঠা হৈছিল।

সেই কালত মাজে মাজে গৌৰীনাথ সিংহ ৰজাও বোলে এই দেওঘৰৰ ভাগলৈ আহিছিল। ১৭৮৯ চনত প্ৰতিষ্ঠা লাভ কৰা দেওঘৰ ভাগী কালক্ৰমত গাঁৰৰ প্ৰথম গাওঁবুঢ়া প্ৰয়াত আমৰলিয়ে খোৱা গগৈৰ নেতৃত্বত ৰাইজৰ সহযোগত আহোম স্বৰ্গদেউ সকলৰ নিয়ম অনুসৰি প্ৰতি বছৰে জেঠ মাহৰ শেষ সপ্তাহত দেওঘৰত দেৱতাসকলক বলি বিধান দি পূজা কৰা হয়।

ৰঙাজান অঞ্চল নগাপাহাৰৰ পৰা ওলাই অহা ধলি নৈৰ আশে-পাশে থকা এটি কৃষি প্ৰধান অঞ্চল। নৈৰে নামৰ জান এটি গাওঁখনৰ অঞ্চলটিত কৃষিৰ ক্ষেত্ৰত অবিহণা যোগাই অঞ্চলটি সুজলা-সুফলা আৰু শস্য শ্যামলা কৰিছে।

ৰজাই গড় বান্ধি ৰাজ্যখন চুবুৰীয়া ৰাজ্যৰ পৰা ৰক্ষা কৰি থাকিবলৈ গড় বন্ধা বৰ্তমান কালৰ বুকুত পৰি গড় আলি নামেৰে বিখ্যাত এটি আলি যিটো আলিয়ে ওজাই ধোদৰ দ্বাৰা বন্ধোৱা ধোদৰ আলিক তিতাবৰত চুইছেগৈ। সেই আলিৰ কাষতে অৱস্থিত শস্যৰে নদন-বদন এটি জনবসতি প্ৰধান অঞ্চল। সেই অঞ্চলৰ মাজ মজিয়াত গড়আলিৰ নিচেই কাষতে পশ্চিমফাললৈ অৱস্থিত এভাগি পৰম পৱিত্ৰ দেওঘৰে জনসাধাৰণৰ হৃদয় স্পৰ্শ কৰি ভকতিৰ এক মাধুৰী ৰস বিলাই অঞ্চলটিক পৱিত্ৰ কৰি ৰাখিছে। কেৱল পবিত্ৰ কৰি ৰখাই নহয় জনগনৰ মংগল সাধন তথা আধ্যাত্মিক উৎকৰ্ষ সাধনৰ পথ পদৰ্শন কৰি প্ৰায় সমগ্ৰ অসমৰ জনগনকে আধ্যাত্মিক দিশ আৰু মাহাত্ম্যই আকৰ্ষণ কৰিছে।

**২.০১ জনশ্ৰুতিত দেওঘৰ ঃ**

দেওঘৰৰ ঐতিহ্য সম্পৰ্কে মানুহৰ মুখে মুখে বহুতো জনশ্ৰুতি শুনিছো। এই দেওঘৰ ভাগক লৈ চৰ্চা কৰা কেইবাটাও গুৰু-গম্ভীৰ কহিনী শুনিবলৈ পোৱা যায়। তাৰ ভিতৰত কেইটামান জনশ্ৰুতি হৈছে-

♦ প্ৰথমতে শুনিলোঁ যোৰহাটৰ জে.পি.আৰত বোলে সেইফালে ৰেল চলিছিল আৰু যোৰহাট নগৰলৈ ৰাইজ অহা যোৱা কৰিছিল। পাছত দেওঘৰৰ ওচৰতে ৰেল খন ৰয় আৰু এদিন ডবা মুলিয়ে গ'ল। চাহাবে জধে-মধে গুলিয়াইও কোনো কাৰণ উলিয়াব নোৱাৰি ৰাইজক গোটাই বোলে কিবা অলৌকিকতাৰ কথা প্ৰকাশ কৰি সেৱা বিধি পালন কৰা কথা ক'লে।

♦ অন্য এদিন আকৌ শুনিলোঁ বোলে এই হাবিখনৰ কাযেদি এজাক বনৰীয়া হাতী পাৰ হৈ যাঁওতে প্ৰতিগৰাকী হাতীয়ে বোলে মূৰ দোঁৱাই গৈছিল শুনি বিস্ময় হোৱাৰ কথা। কিবা মাহাত্ম নাথাকিলে কেতিয়াও এনে হ'ব নোৱাৰে। চাহাবসকলে উপলদ্ধি কৰি এই ঠাইত ধৰ্ম মন্দিৰ আছে, ভালকৈ ধৰ্মৰ মন্দিৰৰ ভেটি বান্ধিবলৈ কোৱাৰ পাছতে আকৌ হাতীৰ দৰে পৱিত্ৰ জীৱই দেখুওৱাই এই সন্মান।

♦তাৰ পাছত শুনিলো ওচৰৰে এগৰাকী আই-মাতৃৰ এজনী জাৰ্চী গাই হেৰালত বিচাৰি বিচাৰি আহি

Scanned by CamScanner

এই ঠাই পালেহি সেই চালি সদৃশ দেওঘৰৰ ওচৰ পাই এখিলা ডাঙৰ গছৰ পাততে কেচুমটাৰ লদা এটাকে আগবঢ়াই গুৱাপাণ সদৃশ কৰি জাৰ্চী গাইজনী পোৱাৰ মানসেৰে আগবঢ়াই দেওঘৰক সভক্তিৰে সন্ধ্যা জনাই ঘৰলৈ গুচি আহিল। পাছদিনা আইগৰাকীয়ে ৰাতিপুৱাই কাৰোবাৰ মুখে গম পালে যে গৰুজনীয়ে দেওঘৰৰ মুখতে ঘাঁহ খাই আছে।

লগে লগে আইগৰাকী ঘৰৰ কাৰোবাৰ সৈতে আদৰি-সাদৰি আনিলেগৈ আৰু দেওঘৰলৈকে শৰাই এখন আগবঢ়াই কৃতজ্ঞতাৰ চিনস্বৰূপে মগু-বুট পায়স সহ বৃহস্পতিবাৰ এটিত দেওঘৰতে শৰাই অৰ্পণ কৰিলে।

লাহে-লাহে ভক্তসকলৰ মুখে-মুখে কথা বাগৰি এনেধৰণৰ কথা ভালেখিনি প্ৰচাৰ হৈ দেওনামঘৰৰ পৱিত্ৰ স্থানলৈ আমাৰ অশাভৰা মনলৈ আহিবলৈ ধৰিলে আৰু প্ৰতি বৃহস্পতিবাৰে শৰাই দিয়া হয় বুলি এখন ফলকো আঁৰি দিয়া হ'ল। তাৰ উপৰিও হাতীৰ জাক এটাই মূৰ দোঁৱাই যোৱাক প্ৰমুখ্য কৰি বহু কথাই দেওঘৰৰ মাহাত্ম্যৰ কথা সমাজত বিশ্বাসযোগ্য কৰিলে।

প্ৰতি বৃহস্পতিবাৰে শৰাই দিবলৈ অহা ভক্তৰ শাৰী আকৌ বাছত অহা-যোৱা কঁৰোতেই দেখিবলৈ ধৰিলোঁ। এনেহে বিদ্যালয়ৰ ভগ্নীসমা এগৰাকী সহকৰ্মীয়ে কথাযাৰ আৰু দৃঢ় কৰি দি তাঁলৈ ৰাইজসকলে শৰাই বন্তি দি বহু বিপদ-আপদৰ পৰা পৰিত্ৰাণ পোৱাৰ কথা সদৰী কৰিলত তেওঁৰ হৃদয় ভৰি পৰিল।

এনেতে সেই ব্যক্তিজনৰ অৱসৰ হ'ল, দীৰ্ঘদিনীয়া চাকৰিৰ পৰা অচসৰ লাভ কৰি পেঞ্চন লাভৰ পথটো যেন বৰ মসৃণ নহ'ল। তেখেতে মনে মনে দেওঘৰ ভহগলৈ সভক্তিৰে এভাগি শৰাই মনতে আগবঢ়াই বিদ্যালয়ৰ পৰা কাগজ-পত্ৰ লৈ যোৰহাটৰ পৰিদৰ্শকৰ কাৰ্যালয়লৈ কৰ্তৃপক্ষৰ পৰা চহীৰ বাবে আবেদন লৈ গৈ বাছৰ পৰাই মনৰ বাসনা জনাই Provisional Pension ৰ কাৰণে যাত্ৰা কৰিলে।

সেইদিনা তেওঁ পৰিদৰ্শকৰ চহী লৈ ৰাতিয়াই গুৱাহাটীৰ কাৰ্যালয়লৈ যাত্ৰা কৰি পিছদিনাই গুৱাহাটীৰ কাৰ্যালয়ত সকলো চহী পত্ৰ হৈ কাম আগবাঢ়িছিল আৰু পাছদিনাই Provisional Pension ৰ Order লৈ ঘৰ পালেগৈ।

আচৰিত তেখেতে ক'তো এপইচা খৰচ নকৰাকৈ সোমবাৰৰ পৰা তিতাবৰত কাম-কাজ হৈ টকা হাতলৈ আহি কেইদিনমানৰ ভিতৰতে তেখেতে আগতীয়া কামখিনি যে ভগবানৰ কৃপাতহে হ'ল।

লগে লগে পাছৰ বৃহস্পতিবাৰে তেওঁ দ্ৰব্যবস্তু লৈ দেওঘৰৰ চৰণত উবুৰি খাই পৰিলেহি। কেৱল সেয়েই নহয় পৰি থকা পেঞ্চনৰ কামখিনিও দুমাহ মানৰ ভিতৰত হৈ তেওঁ মাহেকীয়া পেঞ্চন পাবলৈ আৰু এটি খোজ আগবাঢ়ি গ'ল।

এইয়া তেওঁৰ প্ৰাপ্য আছিল যদিও লেহেমীয়া কামত দ্ৰুততা আনি দিলে এই মন্দিৰৰ মাহাত্মই। তেওঁৰ হৃদয় দেওঘৰৰ মাহাত্ম্য উপলব্ধি কৰি অভিভূত হৈ পৰিলে আৰু দেওঘৰভাগৰ উন্নয়ন সাধনৰ বাবে ৫,০০১ টকা পৰিচালনা সমিতিৰ হাতত অৰ্পণ কৰিলে।

এই মাহাত্ম্যৰ প্ৰতি তেওঁৰ শিৰ নত হ'ল আৰু প্ৰায় বৃহস্পতিবাৰেই সময় সুযোগ উলিয়াই এই পৱিত্ৰ দেওঘৰলৈ অহা-যোৱা কৰাটো তেওঁৰ নিত্য বৃহস্পতিবাৰৰ কাৰ্য হৈ পৰিল।[৩]

তেওঁৰ এই দীঘলীয়া জীৱনত বহু সংকট আহি পৰিছিল, দেওঘৰৰ মাহাত্ম্যই যে তেওঁক সদায় ৰক্ষা কৰি আহিছিল। এই ভক্তিভৰা হৃদয়েৰে তেওঁ দেওঘৰৰ মাহাত্ম্য অনুধাৱন কৰিছে। আধ্যাত্মিক পৰিবেশে তেওঁৰ জীৱনলৈ ভকতিৰ অমিয়া ৰস পান কৰিবলৈ প্ৰায় বৃহস্পতিবাৰেই এই পুণ্যভূমিলৈ লৈ আহিছিল।

Scanned by CamScanner

**অৱস্থান ঃ**

যোৰহাট নগৰৰ পৰা দক্ষিণে নগা ৰাজ্যলৈকে সংলগ্ন হৈ থকা সুচল যাতায়তৰ পথ 'গড় আলি' যোৰহাট জিলাৰ এটা অতি প্ৰাচীন ব্যস্ত পথ। এই পথেৰে তিতাবৰ দিশত ১২ কিঃমিঃ আগুৱালেই পোৱা যায় এটি সৰু জান, কাষতে এখন চাহ বাগিছা আৰু লগতে বিকশিত হৈ উঠিছে মজলীয়া এটি অঞ্চল নাম 'ৰঙাজান'। এই ৰঙাজানতেই ১৭৮৯ চনত স্বৰ্গদেউ গৌৰীনাথ সিংহৰ ৰাজত্বৰ কালত ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ পৰামৰ্শ অনুসৰি ৰঙাজান নৰে গাঁৱৰ ৰাইজৰ সহায়-সহযোগত গড় আলিৰ কাষতে ৰঙাজানত 'দেওশাল' প্ৰতিষ্ঠা কৰা হয়। বৰ্তমান দেওশালে 'দেওঘৰ' বা 'দেও নামঘৰ' নামেৰে পৰিচিত হৈ অতীতৰ স্মৃতি বহন কৰি আহিছে। এই দেওঘৰটি ঠেঙাল মৌজাৰ অন্তৰ্গত মৰাণ ৰাজহ গাঁৱত অৱস্থিত।

**২.০২ দেওঘৰৰ জনসংখ্যা ঃ**

ৰঙাজান দেওঘৰৰ জনসংখ্যাৰ সঠিকভাৱে কোৱাতো সম্ভৱ নহয়। ৰঙাজান অঞ্চলটোক দুটা পঞ্চায়তত ভাগ কৰা হৈছে। ৭৫ নং ৰঙাজান আৰু ৬৭ নং ঠেঙাল পঞ্চায়ত। দুয়োটা পঞ্চায়ত লগ লগাই মুঠ জনসংখ্যা প্ৰায় ১৫,০০০। এখন গাঁৱত চাউদাং সম্প্ৰদায়ৰ ৮টা ফৈদৰ ১২০ টা পৰিয়ালৰ লোকে বাস কৰে।

**২.০৩ দেওঘৰৰ পাৰিসীমা আৰু চাৰিসীমা ঃ**

দেওঘৰৰ মুঠ পৰিসীমা হৈছে ১ একৰ আৰু ৪ কঠা আৰু দেওঘৰটি এবিঘা এলোচা মাটি কালিৰে আবৃত। এই অঞ্চলটোত গড় আলিৰ পৰা পূৱ অংশ চাউদাং ৰাজহ গাওঁ (বৰ্তমান উজনি নৰে গাওঁ নামেৰে জনাজাত) আৰু পশ্চিম অংশ নামনি নৰে গাওঁ বুলি জনা যায়। দেওঘৰৰ পাশ্চিম দিশত এটা কাছ বিৰাজিত পুখুৰী আছে । সেই পুখুৰীটোৰ মাটি কালি হ'ল ডেৰ কঠা।

দেওঘৰৰ পূবে মৰিয়নি নগৰ, পশ্চিমে গোলাঘাট নগৰ, উত্তৰে তিতাবৰ নগৰ আৰু দক্ষিণে যোৰহাট নগৰ অৱস্থিত।

**২.০৪ দেওঘৰৰ লোকসকলৰ জীৱন নিৰ্বাহ ঃ**

নৰে গাৱঁৰ প্ৰায় সকল লোকেই হ'ল কৃষি-জীৱি। কিছু সংখ্যক চৰকাৰী চাকৰি কৰা লোকো আছে আৰু কিছু সংখ্যক লোক ব্যৱহসায় বাণিজ্যৰ ওপৰত নিৰ্ভৰশীল। তাৰ উপৰিও কিছুমান দাৰিদ্ৰ শ্ৰেণীৰ লোকও পোৱা যায়। সেইসকল শ্ৰমিকে দৈনিক হাজিৰা হিচাপে ৩০০ টকাৰ পৰা ৩৫০ টকাৰ হাৰত সাপ্তাহিক দৰমহাৰ ওপৰত নিৰ্ভৰ কৰি জীৱন নিৰ্বাহ কৰি আছে।

ইয়াৰ উপৰিও এই অঞ্চলৰ লোকসকলে ধান খেতিৰ উপৰিও শস্যৰ খেতি কৰি , দেওবাৰ আৰু বৃহস্পতিবাৰে দেওঘৰৰ সন্মুখত বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰি আছে। বন্যহস্তীৰ উপদ্ৰৱৰ বাবে বৰ্তমান সময়ত খেতি বাতি এৰিবলৈ বাধ্য হোৱা দেখা যায়।

**২.০৫ শিক্ষা ব্যৱস্থা ঃ**

ৰঙাজান নৰে গাঁৱৰ বেছিভাগ ল'ৰা ছোৱালীৰ শিক্ষা দিশত আগ্ৰহী আৰু বৰ্তমান শিক্ষাৰ হাৰ আগৰ পৰিমাণতকৈ ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে। এই অঞ্চলটোত ২টা পঞ্চায়তৰ ২০খন অংগনবাদী কেন্দ্ৰ, ২০ খন প্ৰাথমিক বিদ্যালয় আৰু ৫খন হাইস্কুল আছে আৰু লগতে এখন মহাবিদ্যালয়ো আছে ।

Scanned by CamScanner

## তৃতীয় অধ্যায়

### ৩.০০ দেওঘৰত পালন কৰা পৰম্পৰা

১৭৮৯ চনৰ জেঠ মাহত প্ৰথম এই থানভাগি বনাবলৈ লয় খেৰ, বাঁহ আৰু কাঠেৰে। গাওঁখনত প্ৰথমে ছয় কুৰিঘৰ চাউদাং ফৈদৰ লোক আহি থাকিবলৈ লয়। কেইঘৰমান উজনিফালে আৰু কেইঘৰমান নামনিফালে ঘৰ সাজি থাকিবলৈ লয়। এই চাউদাং ফৈদৰ মনুহখিনি ইয়ালৈ কেনেকৈ আহিবলৈ পালে তাৰ ইতিহাস পাবলৈ নাই ।ৰজা গৌৰীনাথ সিংহৰ দিনতে স্থাপন হোৱা দেওথান ভাগত যি নীতি-নিয়ম ৰাখি থৈ গৈছে তাকে ৰঙাজান অঞ্চলৰ লোকে পালন কৰি আহিছে।

১৭৮৯ চনত প্ৰতিষ্ঠা লাভ কৰা দেওঘৰ ভাগী কালক্ৰমত গাঁৱৰ প্ৰথম গাওঁবুঢ়া প্ৰয়াত আমৰলিয়ে খোৱা গগৈ নেতৃত্বত ৰাইজৰ সহযোগত আহোম স্বৰ্গদেউসকলৰ নিয়ম অনুসৰি প্ৰতিবছৰে জেঠ মাহৰ শেষ সপ্তাহত দেওঘৰত দেৱতাসকলক বলি বিধান দি পূজা দিছিল। ছয়কুৰি দেৱতাক বলি বিধানেৰে পূজা দিবলৈ একাদিক্ৰমে মাটিত ভেটি বান্ধি সেই ভেটিৰ ওপৰত ভীম কলৰ আগলি পাতত দেৱতালৈ পূজা অৰ্চনাৰে দ্ৰব্য উপস্থাপন কৰিছিল। প্ৰতিঘৰ গৃহস্থই পূজা অৰ্চনাৰ বাবে দ্ৰব্য বস্তু আগবঢ়াব লাগিছিল।

এনেদৰে বহু কাল চলিল। পাছলৈ সময়ৰ পৰিবৰ্তনৰ লগত সংগতি ৰাখি "যাগ-যজ্ঞ কিছু নৰহে কলিত" জানি হৰি ভক্তিৰ এই আপ্ত বাক্যশাৰী মানি বৰ্তমান মহাভাগৰত শ্ৰৱণ-কীৰ্ত্তন আৰু নামৰ ব্যৱস্থা কৰিছে।

দেওঘৰৰ মহিমা অপাৰ বৰ্তমান অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে দেওঘৰৰ মহিমা প্ৰচাৰিত হৈ প্ৰতি সপ্তাহৰ বৃহস্পতিবাৰে শৰাই দ্ৰব্য আগবঢ়াই আশা পূৰণৰ উপায় বিছাৰি মহাভক্তসকলৰ আগমন হৈ দেওঘৰ ভাগি মহাতীৰ্থভূমীলৈ পৰ্যবসিত হৈছে।

অসম এখন বাৰেৰহণীয়া সংস্কৃতিৰে পৰিপূৰ্ণ মিলনভূমি।ৰঙাজান অঞ্চলত বহুতো পৰম্পৰা অতিজৰ পৰা চলি আহিছে। ৰজা গৌৰীনাথ সিংহৰ দিনৰে পৰা এই ভাগ থানত বিভিন্ন বলি বিধানেৰে দেওথানত পূজা অৰ্চনা দি ৰাইজৰ দুখ-দুৰ্গতি, অপায় অমংগল দূৰ কৰিছিল।

### ৩.০১ দেৱ-দেৱী আধাৰিত পূজা ঃ

**দেওপূজাঃ** দেওঘৰত পতা এভাগ গুৰুত্বপূৰ্ণ পূজা হ'ল- 'দেও পূজা'। পুৰণা হোলোং ঘৰভাগি ৪০ ফুট বহল ১৮ ছেঃমিঃ পকা খুঁটা ফুল চতি দি টিং মাৰি বনাইছিল। ১৯৯৪ চনত ওপৰৰ কাঠবোৰ ডাঙৰ-ডাঙৰকৈ কেনেকৈ তুলিছিল তাৰ বিষয়ে জনা নাযায়। ঘৰটো মাটিৰ পৰা মুধচলৈকে ২২ ফুট ওখ। ১৯৬৬ চনলৈকে ইয়াত বলি বিধান আছিল কিন্তু বলি সকামভাগি ভিতৰত নহয় বাহিৰতহে হৈছিল।

দেওঘৰত দেওপূজা কেনেকৈ পাতিছিল তাক বৰ্ণনা দিয়া বৰ টান।তথাপি যি খিনি পৰা যায় অলপকৈ হলেও বৰ্ণনা দিবলৈ আগবাঢ়িছোঁ।

অতীজত ছয়কুৰি ঘৰ মানুহ এই নৈনে চাউদাং গাওঁ পাতি ইয়াতেই থাকিবলৈ লয়। উজনিফালৰ আমৰলিয়ে খোৱা নামৰ গাওঁবুঢ়া আছিল আৰু এই থান ভাগি পাতি তাতে দেওপূজা পাতিবলৈ লয়। জেঠ মাহৰ প্ৰথম সপ্তাহৰ এটা দিন ঠিক কৰি গাঁৱৰ মুখীয়াসকলে আলোচনা কৰে আৰু সকলোৰেই ঘৰে ঘৰে গৈ জনাই দিয়া হয় যে এই তাৰিখত দেওঘৰত দেওপূজা, সকলো যাব লাগে আৰু সেইমতেই সেইদিনত সকলো আহি এই থান পায়হি। সকলোৱে নিজৰ ঘৰৰ পৰা দ্ৰব্যবস্তু আনিব লাগিব।

১) ৰঙা মতা কুকুৰা এটা

২) দেও সাজ এক টেকেলি

Scanned by CamScanner

৩) ওখোৰা চাউলৰ কৰাইগুৰি, কলপাত কেইখিলামান ।

এই সকলোবোৰ লৈ গধুলি হোৱাৰ আগে আগে এই দেওঘৰ পাবহি লাগিব। ৰাইজৰ কোনোৱা মুখিয়াল এজনক দায়িত্ব দিব ৰাইজে অনা বস্তুবোৰ চমজি ল'বলৈ। সেইমতে সকলো বস্তু গোটাই থব আৰু সময় হপোৱাৰ লগে লগেই দেওধাং যোগালি নিজৰ নিজৰ কামত লাগিব। ইয়াত চৈধ্যখনি পাত পৰা হয়, সেই অনুপাতেই চৈধ্যটি ভেটি লাগিব। এই ভেটিকেইভাগ দিনতেই বনাব লাগিব। যিজন এই থানৰ নামঘৰীয়া হিচাপত আছে সেইজনে ঠাইবোৰ চাফ-চিকুণ কৰিব। সকলো আহি পালে নিজৰ দায়িত্ব বুজি কামত লাগিব। দেওধাইজনৰ লগত এজনকৈ যোগালি লাগিব আৰু সকলোৱেই মিলিজুলি পাত-পচলা যোগাৰ কৰিব। ভেটিকেইভাগ ভালকৈ মচিব আৰু এই সকামভাগি ৰাতি পতা হয়। পিছদিনা ৰাতিপুৱাই ৰাইজ জাবগৈ পাৰে। এই দেও পূজাৰ দিনা দুজন বা তিনিজনমানে গাঁৱৰ মুখিয়ালসকলক এভাগি কামৰ দায়িত্ব দিব। সকলো গাঁৱৰ ৰাইজ আহি যেতিয়া দেওঘৰ পাবহি তেখেতসকলে অনুমান কৰিব যে সকলো গ'ল। সন্ধ্যা লগা লগে-লগে সাধাৰণ কাপোৰ পৰিধান কৰিব। ওপৰত কলপাত চিৰিল-চিৰিলিকৈ তেতিয়াই গাত পিন্ধিব আৰু সকলো ঘৰত সোমাই বেতৰ লাখুটিৰে ঘৰৰ চাল-বেৰ মৰিয়াব আৰু ক'ব সকলো ঘৰৰ দেৱ-দেৱী দেওঘৰলৈ যাব লাগে তাত পূজা দিয়া হৈছে। এনেকৈ আহি থান পাবহি আৰু তেখেতসকলক প্ৰধান দেওধায়ে এযোৰ কুকুৰা আৰু এবাটি দেও সাজ লৈ আগবঢ়ায় আনিবলৈ যায়। সাজবাতি আটাইকেইজনে খাই কুকুৰা কেইটা আগবঢ়াই দিয়েহি। এই সকল গাঁৱৰ পৰা ওলাই আহোঁতে বাহিৰত কোনো ওলাই নাথাকে। ইয়াত চৈধ্যখনি পাত এনেদৰণৰ —

১) কেঁচাই খাতী আই গোসাঁনী

২) হবেচনী

৩) বৰ চাতুৰালি

৪) হচাং খুবা

৫) পহাৰী ৰংচুই মেলা ধনগুলৈ

৬) কৰ্মচাৰী ডাঙৰীয়া

৭) পকামূৰীয়া ডাঙৰীয়া

৮) ৰজা খেতৰ

৯) তিনি বলিয়া বা তিনি গোসাঁই

১০) নগা দেও

১১) দামচেং ডাঙৰীয়া

১২) গৰখীয়া দেও

১৩) জল বৰ

১৪) বীয়ই ডাৰ

১৪ খনি পাত আগবঢ়াই এই দেওপূজা ভাগ সমাপ্ত কৰে। এনেদৰেই এই ভাগ পূজা বহুকাল ধৰি পাতি গ'ল। দেওঘৰত দেওপূজা উপৰিও প্ৰতিবছৰে আন এভাগ পূজা পতা হয়। এই ভাগ পূজাক পানীতোলা সবাহ নামেৰে জনা যায় । এই ভাগ পূজাও ৰাতি পতা হয়। এই ভাগ পূজা পাতিবলৈও বহুত দ্ৰব্য বস্তু প্ৰয়জন হয়। সেই দ্ৰব্যসমূহ হ'ল-

১) মাটি মাহ

Scanned by CamScanner

২) চাউল

৩) গুটি জলকীয়া

৪) তামোল

৫) পাণ

৬) পিঠাগুৰি গাঁৱৰ প্ৰত্যেকঘৰৰ পৰা আনিব লাগিব

৭) চেনি ক'ল দহ আখি মান লাগিব

৮) মাটি টেকেলি দুটা

৯) মাটিৰ মলা দুটা

১০) এৰাঁ ছোৱালী তিনিজনী লাগিব।

এই ভাগ পূজা জেঠৰ প্ৰথম সপ্তাহত পতা হয়। এইভাগ পূজা আইসকলে পাতে। এইভাগ পূজা ৰাইজৰ মংগল সাধনৰ বাবে পতা হয় সকলো ৰাইজ মিলি।[৪]

১৯৯৯ চনৰ পৰা এই থানভাগি বহুলভাৱে প্ৰচাৰ হবলৈ ধৰিলে। আমাৰ গাঁৱলৈ সদৌ অসম ভিত্তিত চতুৰ্থ বাৰ্ষিক অধিবেশন পাতিবলৈ চাউদাং ফৈদৰ কেন্দ্ৰীয় সমিতিৰ পৰা প্ৰস্তাৱ আহে আৰু আমাৰ ননৈ চাউদাং ফৈদৰ কেন্দ্ৰীয় সমিতিৰ পৰা এই পৱিত্ৰ থানতেই আৰম্ভ কৰা হ'ল।

ইয়াৰ উপৰিও দেওঘৰত ভাদমাহত নাম লোৱা হয়। সপ্তাহৰ দুটা দিনত (শনিবাৰ আৰু দেওবাৰ) পুৰুষসকলে ঈশ্বৰক সেৱা কৰি নাম লয়। ইয়াৰ উপৰি জেঠ মাহত পূৰ্ণিমা তিথিত 'বৰ-সবাহ' পতা হয়। এই সবাহত গাঁৱৰ প্ৰতিঘৰ মানুহৰ 'পিঠা' লগোৱাটো বাধ্যতামূলক। এই সবাহত ৰাইজে ১০০ শতাংশ যোগদান দিয়ে।

### ৩.০২ কৃষি ভিত্তিক উৎসৱ ঃ

দেওথানত কৃষি ভিত্তিত উৎসৱ পতা হয়। কিন্তু বছৰৰ তিনিটা বিহুত দেওথানত চাকি বন্তী জ্বলোৱা হয় আৰু গাঁৱৰ প্ৰতিজন ব্যক্তিৰ মংগল কামণা কৰা হয়।

বহাগ বিহুত গাঁৱৰ সকলোৱেই মিলি বিহু মৰা হয়। গাঁৱৰ সকলোৱে ঢোল, পেপা সকলোবোৰ লৈ দিন ৰাতি সমানে বিহু মাৰিছিল। যাৰ ঘৰত গধূলি হয়গৈ তেখেতৰ ঘৰত ৰাইজক পুহনি দিবলগীয়া হৈছিল। ৰাতি থাকিবলৈ ঢাৰি-চকোৱা আদি যোগাৰ কৰি দিব লগা হৈছিল। পিছদিনা পুৱা ৮মান বজাৰ পৰা হুঁচৰি আৰম্ভ হয়। লগতে এজন মুখিয়াল ব্যক্তি থাকিব লাগিব। যেনে- ওজা বা বাৰিক ন'হলে গাওঁবুঢ়া। এনেকৈ পোন্ধৰ দিন মান বিহু মৰাৰ পাছত বিহু আদায় কৰে বা উৰুৱাই। সেইদিনাই সপ্তাহটোৰ ভিতৰতে ধন গোটাবলৈ ঠিক কৰে। যিসকলৰ হাতত পইচা জমা থয় তেওঁক ধনভঁৰালী বুলি কয়। ধন গোটোৱাৰ দিনা সকলো আহি এই দেওঘৰতে গোট খাব আৰু পইচা-পাতি হিচাপ কৰি দুয়োখন গাঁৱলৈ (উজনি আৰু নামনি) ভাগ কৰে আৰু গাঁৱৰ সকলো মিলি এসাজ খায়।

Scanned by CamScanner

## চতুৰ্থ অধ্যায়

### ৪.০০ পৰম্পৰাৰ পৰিবৰ্তন ঃ

১৭৮৯ চনত প্ৰতিষ্ঠা লাভ কৰা দেওঘৰ ভাগী কালক্ৰমত পূৰ্ব্বৰ কিছু নীতি-নিয়ম, পৰম্পৰাৰ সালসলনি কৰি বৰ্তমান যুগৰ লগত সঙ্গতি ৰাখি প্ৰতি বছৰেই দুয়োভাগী পূজা সেৰা অনুষ্ঠিত কৰা হয়। বৰ্ত্তমান নৰৈ চাউদাং গাঁৱৰ ১৩৩ ঘৰ মানুহ একেডাল এনাজৰীৰে বান্ধ খাই থকা সমূহ ৰাইজৰ এখনি দেওঘৰ। প্ৰতি বছৰেই ৰাইজে ৰঙালী বিহুত গাওঁখনত হুচৰি গাই অৰিহণা সংগ্ৰহ কৰি উপৰি উক্ত দুয়োভাগী পূজা-সেৰা পাতে। প্ৰথমতে জেঠ মাহত পানী তোলা সবাহ পতা হয়। যেতিয়া দেওঘৰ কাষেদি বৈ যোৱা জানত পানী চলে তেতিয়াই এই পানীতোলা সবাহ হয়। বিশেষকৈ পানীতোলা সবাহত আইসকলে আই নাম গাই পূজা ভাগী সম্পন্ন কৰি বোৰতী পানীত পূজাৰ দ্ৰব্যসমূহ গাওঁবাসীৰ কুশলাৰ্থে উটুৱাই দিয়া হয়। পানীতোলা সবাহত বিশেষকৈ মাটিমাহ, চাউল, গুটি জলকীয়া, তামোল-পাণ পিঠাগুৰি, কল, মাটিৰ টেকেলী ২টা, ম'লা ২টা, টংলতী আদি দ্ৰব্য সমূহ প্ৰয়োজন হয়। সেই সবাহত তিনিগৰাকী এৰাঁ ছোৱালীৰ ও প্ৰয়োজন হয়। এইভাগ পূজা বৰ্তমান দিনথে অনুষ্ঠিত হয়।[৫]

দেওথান ভাগিৰ দ্বিতীয় ভাগ পূজা হৈছে 'দেওপুজা'। দেওথান ভাগী অতীজত অতি জয়াল আছিল। বৃহৎ বৃহৎ বৃক্ষ, লতা জাতীয় বিভিন্ন লতা যেনে- ভাত ঘিলা, ডাঠ হাবিৰ মাজত এভাগি দেওথান। দিন দুপৰতে তাত প্ৰবেশ কৰিবলৈ তাত কোনোৱে সাহস নকৰে। তাৰোপৰি বিবিধ চৰাই, সাপ, বেঙ আদিৰ বসস্থান। ইমান জয়াল পৰিবেশৰ কাৰণে ইয়াত নৰৈ চাউদাং গাঁৱৰ ৰাইজে প্ৰতি বছৰে দেওপূজা পাতে। এই ভাগ পূজা বলি-বিধানেৰে আহোমৰ পৰম্পৰা অনুসৰি দেৱতাসকলক পূজা-অৰ্চনা দিছিল। এই ভাগ পূজ ৰাতি পতা হয়। কিন্তু পৰৱৰ্তিত পৰ্যায়ত এই ভাগ পূজা দিনতহে অনুষ্ঠিত কৰা হৈছিল কিন্তু সময়ৰ পৰিবৰ্তন হ'ল তাৰ পাছত পূৰ্বৰ সেই বলি বিধান প্ৰথা বিলুপ্তি ঘটাই বৰ্ত্তমান 'ভাগৱত পাঠ' হৰি নামেৰে ঈশ্বৰক সেৰা কৰা হয়। দেওঘৰ ভাগিৰ বিশেষত্ব এই যে ইয়াৰ পূৰ্ব দিশত ভগৱানৰ দশ অৱতাৰৰ 'কুৰ্ম্ম অৱতাৰ' ভাগিত মৃত্তিৰে নিৰ্মিত আকাৰত স্থাপিত হৈ আছে। ইয়াত শ্ৰী শ্ৰী শঙ্কৰদেৱ আৰ্হিৰে সপ্ত বৈকুণ্ঠৰ আসন স্থাপন হোৱা দেখিবলৈ পোৱা নাযায়। অতীত কালৰ পৰাই 'কুৰ্ম্ম আকৃতি'ৰ এইভাগ বিৰাজমান হৈ আছে। কোনে কেতিয়া এই ভাগি প্ৰতিষ্ঠা কৰিলে জনা নাযায় যদিও আহোম যুগৰ পৰাই বিদ্যমান হৈ আছে বুলি ঠাৱৰ কৰিব পাৰি। বৰ্তমান শৰাই, বন্তি, বৈকুণ্ঠ ভাণ্ডাৰৰ নব দ্ৰব্য অৰ্পন কৰি অসুখ-অশান্তি, অপায় অমঙ্গল দুৰীকৰণৰ বাবে প্ৰতি জনে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়।

অতীতৰ দেওশাল বা দেওঘৰৰ আৰু বৰ্তমানৰ দেওঘৰৰ মাজত আকাশ-পাতাল পাৰ্থক্য। আগৰ দেওঘৰৰ জয়াল পৰিবেশ আজি নাই। হাবি-জংঘল, জয়াল পৰিবেশ গুচি মানুহৰ সমাগম আৰু বিজুলি চাকিৰ পোহৰ পৰি এক মনোমোহা পৰিবেশ, য'ত অহৰহ ভক্তৰ সমাৱেশ ঘটে। ৰাইজৰ দান বৰঙণি আদিৰে দেওঘৰৰ চৌহদ এক জাকত-জিলিকা হৈ উঠিছে।

আগৰ কালত দেওঘৰত দেওপূজাৰ লগতে না-না ধৰণৰ দেৱ-দেৱীৰ পূজা পাতিছিল। জেঠ মাহৰ কোনোবা এটা বিশেষ বাৰত নৰৈ চাউদাং গাঁৱৰ প্ৰতিঘৰ মানুহৰ ঘৰৰ পৰা এটাকৈ ৰঙা মতা কুকুৰা আৰু লাওপানী (সাজ পানী) দিব লাগে। গোটেই ৰাতি পূজা হয় আৰু ৰাতিপুৱাহে সামৰণি পৰে। দেওঘৰত সেই পূজা ভাগত প্ৰসাদ বিতৰণ কৰা নাছিল।

Scanned by CamScanner

দিন বাগৰি বছৰ পাৰ হৈ গ'ল। দেওঘৰৰ অতীতৰ বলি-বিধান কাৰ্য চলিছিল যদিও বৰ্তমান নৱৈ চাউদাং গাঁৱৰ ৰাইজে আলোচনা কৰি কিছু পৰিবৰ্তন কৰি নাম পাঠ কৰি শৰাই আগবঢ়াই। সপ্তাহৰ প্ৰতি বৃহস্পতিবাৰে চাকি-বন্তি, ধুপ-দীপ জ্বলাই শৰাই অৰ্চন কৰি নাম পাঠ কৰে। দেওঘৰৰ মহিমাৰ বিষয়ে অসমৰ চৌদিশে প্ৰচাৰ হোৱাত ইয়ালৈ সেৱকসকলে ধুপ-চাকি জ্বলাই, শৰাই আগবঢ়াই মনৰ কামনা পূৰ্ণ হোৱাৰ উদাহৰণ বহুত আছে। ভাদমাহত শনিবাৰ আৰু দেওবাৰ সলাই বৃহস্পতিবাৰ আৰু দেওবাৰে এই দুটা দিনত নাম লোৱা হয়। কিন্তু তথ্য দাতাৰ পৰা জানিব পৰা গৈছে যে এইবছৰৰ পৰা ভাদ মাহত প্ৰত্যেকদিনাই নাম লোৱা হ'ব।[৬]

দেওঘৰত চাকি-বন্তি, শৰাই আগবঢ়োৱাৰ উপৰিও আজিকালি সেৱকসকলে ৰঙা ফিটাও গছত বন্ধা দেখা যায়। মনৰ আশা পূৰ্ণ হলে পুনৰ ফিটা খুলিবলৈ অহা দেখা যায়।

দেওঘৰত ভাগৱত পাঠ, ভাদমাহত নাম, তিথি উৎসৱ সকলো পতা হয় কিন্তু ইয়াত এবাৰো ভাওনা পতা হোৱা নাই। ভগৱানৰ দহটা অৱতাৰৰ কুৰ্ম্ম (কাছ) অৱতাৰ ইয়াত বিৰাজমান। সেই উপলক্ষে আগলৈ কুৰ্ম্ম অৱতাৰ নাটখন উপস্থাপন কৰা হব।

Scanned by CamScanner

## পঞ্চম অধ্যায়

### ৫.০০ উপসংহাৰ ঃ

ৰঙাজান দেওঘৰৰ ঐতিহ্য, পৰম্পৰা আৰু পৰিবৰ্তন শীৰ্ষক বিষয়টি ক্ষেত্ৰ অধ্যয়নৰ বাবে বাছি লোৱা ৰঙাজান অঞ্চলটোৰ ইতিহাস, পৰম্পৰা আৰু পৰিবৰ্তন সম্পৰ্কে যথেষ্টখিনি উৎস সংগ্ৰহ কৰিবলৈ চেষ্টা কৰিলো।

ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে ৰঙাজান অঞ্চলৰ দুয়োখন গাঁৱৰ মাজত প্ৰচলিত উৎসৱ-পাৰ্ৱণ আৰু ৰীতি-নীতি দেওঘৰৰ জনশ্ৰুতিৰ বিষয়ে বহুখিনি কথাই জানিব পাৰিছো।

অসমত বিভিন্ন ঠাইত বিভিন্ন মঠ-মন্দিৰ, নামঘৰ, দেৱালয়, থান আদি দেখিবলৈ পোৱা যায়। যদিও দেওথানত পালন কৰা তিথিসমূহ, চাকি-বন্তিৰ শৰাই আদি সকলোৰে লগত মিল আছে। দেওঘৰত অতিতত বলি প্ৰথা আছিল যদিও এতিয়া বৰ্তমান বলি প্ৰথা নাই। তাৰ বিপৰিতে ভাগৱত গীতা পাঠ কৰা হয়। ৰঙাজান অঞ্চলত আহোম, চাউদাং লোকসকল দেখিবলৈ পোৱা যায়। তেওঁলোকৰ ৰীতি-নীতি, পৰম্পৰা, সংস্কৃতি আদি অসমীয়া সংস্কৃতিৰ হৈতে মিল দেখা যায়।

উদাহৰণ স্বৰূপে- অসমৰ জাতীয় উৎসৱ বিহু। ঋতু ভিত্তিক আমাৰ বিহু তিনিটা । বহাগ বিহু, কাতি বিহু আৰু মাঘ বিহু। ইয়াৰে যদি আমি বহাগ বিহুৰ বিসয়ে আলোচনা কৰো তেনেহ্লে আহোম সকল বা চাউদাং সকলেও বহাগ বিহুত হুচৰি গাই, গৰু গা ধোৱাই ইত্যাদি অসমীয়া সমাজৰ লগত মিল দেখা যায়। প্ৰতিটো বিহুত ভগৱানৰ ওচৰত এগচি বন্তি প্ৰজলন কৰে আৰু মাক-দেউতাক, বয়োজ্যেষ্ঠ সকলৰ পৰা আৰ্শীবাদ লয়।

দেওঘৰৰ অশ্ৰুতিমূলক কাহিনীবোৰ শুনি বা পঢ়ি বিভিন্ন প্ৰান্তৰ পৰা সেৱকসকল আহি মূৰ দোৱাইহি। দেওঘৰৰ উৎসৱ-পাৰ্ৱণসমূহ ৰীতি-নীতি আধুনিকতাৰ সোঁতত কিছু পৰিবৰ্তন হোৱা দেখা যায়।

### ৫.০১ সিদ্ধান্ত ঃ

১) স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনত স্থাপন হোৱা দেওঘৰ বা দেওথান ভাগত ঐচ্ছৰিক শক্তি আছে বুলি সকলোৱে বিশাস কৰে। এইভাগ থান ভাগ শংকৰদেৱৰ যুগতকৈ আগৰ যুগত স্থাপন হোৱা।

২) দেওঘৰ বা দেওথানত পূজা পাতলত বলি বিধান নিয়মেৰে প্ৰচলিত আছিল। সেই পূজাত জীৱ-জন্তুৰ (ৰঙা মতা কুকুৰা) বলি দিয়া হয়। কিন্তু যাঠি দশকত বলি প্ৰথাৰ বিলুপ্তি ঘটায় তাৰ বিপৰিতে ভাগৱত পাঠ কৰা হয়।

৩) এই অঞ্চলৰ উঠি অহা নতুন প্ৰজন্মসকলে তেওঁলোকৰ বলি প্ৰথাৰ সম্পৰ্কে অলপো জ্ঞাত নহয়।

৪) ৰজা মহাৰজাই দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ বলি দিছিল। পাছলৈ সেই লোক বিশ্বাসতে ৰঙাজান গাঁৱৰ ৰাইজে এই নীতি-নিয়ম পালন কৰিছিল।

Scanned by CamScanner

প্ৰসংগ টোকা ঃ

১) গগৈ, লীলাৰাম ঃ মহিমামণ্ডিত দেওঘৰৰ ইতিবৃত্ত; পৃঃ ২৪-২৫।

২) গগৈ, লীলাৰাম ঃ মহিমামণ্ডিত দেওঘৰৰ ইতিবৃত্ত; পৃঃ ৫০-৫১।

৩) গগৈ, লীলাৰাম ঃ মহিমামণ্ডিত দেওঘৰৰ ইতিবৃত্ত; পৃঃ ১৪-১৫।

৪) গগৈ, লীলাৰাম ঃ মহিমামণ্ডিত দেওঘৰৰ ইতিবৃত্ত; পৃঃ ২৫-২৬।

৫) গগৈ, লীলাৰাম ঃ মহিমামণ্ডিত দেওঘৰৰ ইতিবৃত্ত; পৃঃ ১৮-২০।

Scanned by CamScanner

## গ্ৰন্থপুঞ্জী

১) চাও লীলাৰাম গগৈ ঃ মহিমামণ্ডিত দেওঘৰ; প্ৰকাশকঃ প্ৰিণ্ট-টেক, লাচিত নগৰ, তিতাবৰ;
প্ৰথম প্ৰকাশ ঃ ১২ চেপ্তেম্বৰ (২৬) ভাদ ২০১৮
দ্বিতীয় প্ৰকাশ ঃ ভাদ, ২০১৯ ।

২) চাও লীলাৰাম গগৈ ঃ মহিমামণ্ডিত দেওঘৰৰ ইতিবৃতি; প্ৰকাশকঃ প্ৰিণ্ট প্লাজা, তিনি আলি, তিতাবৰ;
প্ৰথম প্ৰকাশ ঃ জেঠ, ২০২২ ।

ইণ্টাৰনেট ঃ http//youtube.xlpJgoFdfzu

Scanned by CamScanner

**সমলদাতাসকলৰ সংক্ষিপ্ত তথ্য ঃ**

১) নাম ঃ ললিত গগৈ
লিংগ ঃ পুৰুষ
বয়স ঃ ৫৬ বছৰ
ঠিকনা ঃ নগৈ গাওঁ (২নং মৰাণ গাওঁ)
বৃত্তি ঃ খেতিয়ক
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক ঃ ২২.০৫.২০২২

২) নাম ঃ লীলাৰাম গগৈ
লিংগ ঃ পুৰুষ
বয়স ঃ ৭০ বছৰ
ঠিকনা ঃ উজনি নগৈ গাওঁ
বৃত্তি ঃ বিদ্যুত বিভাগৰ কৰ্মী (অৱসৰ প্ৰাপ্ত)
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক ঃ ২২.০৫.২০২২

৩) নাম ঃ চন্দ্ৰ গগৈ
লিংগ ঃ পুৰুষ
বয়স ঃ ৭৪ বছৰ
ঠিকনা ঃ নগৈ গাওঁ (১নং মৰাণ গাওঁ)
বৃত্তি ঃ খেতিয়ক
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক ঃ ২৫.০৫.২০২২

৪) নাম ঃ ৰকেন্দ্ৰ বৰুৱা
লিংগ ঃ পুৰুষ
বয়স ঃ ৭০ বছৰ
ঠিকনা ঃ নগৈ গাওঁ (১নং মৰাণ গাওঁ)
বৃত্তি ঃ এল.আই.চি. এজেণ্ট
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক ঃ ২৫.০৫.২০২২

Scanned by CamScanner

আলোকচিত্ৰ ঃ



দেওঘৰৰ তোৰণ



দেওঘৰৰ মূল আসন ভাগ



দেওঘৰৰ খোৱা পানীৰ ব্যৱস্থা

Scanned by CamScanner



দেওঘৰৰ অতিথি শালা



দেওঘৰৰ ৰঙা ফিটাৰ গছ



দেওঘৰৰ দুষ্পাপ্য কাছ থকা কুৰ্ম কুণ্ড

Scanned by CamScanner